**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৯৩/২০১৯**

## ৰাজ্যখনৰ ২ হাজাৰ শিল্পী আৰু কলা-কুশলীৰ প্ৰত্যেকলৈ ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক অনুদান আগবঢ়াব ৰাজ্য চৰকাৰে

### মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে সাংস্কৃতিক পৰিক্ৰমা বিভাগে অতিশীঘ্ৰে ৰূপায়ণ কৰিব এই আঁচনি

**দিছপুৰ, ১৭ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ দিশলৈ বৰঙণি যোগাই অহা শিল্পীসকলক অধিক উৎসাহিত কৰি সৃষ্টিশীল কৰ্মৰাজিত আত্মনিয়োগ কৰাৰ দিশত আৰু অধিক অনুপ্ৰেৰণা যোগাবলৈ ৰাজ্য চৰকাৰে ২ হাজাৰ শিল্পী তথা কলা-কুশলীলৈ এককালীন আৰ্থিক অনুদান আগবঢ়াব। আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেই এই কথা জনাই কয় যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে সাংস্কৃতিক পৰিক্ৰমা বিভাগে এই শিল্পীসকলৰ প্ৰত্যেকলৈ নগদ ৫০ হাজাৰ টকাৰ আৰ্থিক অনুদান অতি শীঘ্ৰে আগবঢ়াব।

ৰাজ্য চৰকাৰে 'শিল্পী সম্বৰ্দ্ধনা' আৰু 'ভ্ৰাম্যমান থিয়েটাৰৰ শিল্পী আৰু কলা-কুশলী আঁচনি'ৰ অধীনত এই আৰ্থিক অনুদান আগবঢ়োৱাৰ পদক্ষেপ লৈছে। এই দুখন আঁচনিৰ প্ৰতিখনৰ অধীনত ১ হাজাৰকৈ অৰ্থাৎ সৰ্বমুঠ ২ হাজাৰ শিল্পী তথা কলা-কুশলীৰ প্ৰত্যেকলৈ ৫০ হাজাৰ টকাকৈ এককালীন অনুদান আগবঢ়োৱা হ'ব। 'শিল্পী সম্বৰ্দ্ধনা আঁচনি'ৰ অধীনত অসমৰ লোক সংস্কৃতি নাগাৰানাম, ওজাপালি, অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ লগত জড়িত শিল্পীসকলক এই আৰ্থিক অনুদান আগবঢ়োৱা হ'ব। আঁচনিখনৰ অধীনত আনকি তৃণমূল পৰ্যায়ৰ শিল্পীকো সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে ৰাজ্যখনৰ সাংস্কৃতিক জগতলৈ ভ্ৰাম্যমান থিয়েটাৰে আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ কথা অনুধাৱন কৰি ৰাজ্য চৰকাৰে পোন প্ৰথম বাৰৰ বাবে ভ্ৰাম্যমান থিয়েটাৰৰ শিল্পী আৰু কলা-কুশলী সকলকো আঁচনিৰ জৰিয়তে আৰ্থিক অনুদান আগবঢ়োৱাৰ পদক্ষেপ লৈছে যাতে এই শিল্পী তথা কলা-কুশলীসকলে আৰু অধিক সৃষ্টিশীল কৰ্মৰাজিৰে আমাৰ সাংস্কৃতিক জগতখনলৈ অধিক সেৱা আগবঢ়াই যাব পাৰে।

**পুঃডেঃ / বঃভাঃ**
**১৭/১২/২০১৯**